**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 17-04-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::***

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কাৰ্বি আংলং জিলাৰ ডিফুত ১০০ কোটি টকা ব্যয় সাপেক্ষে ভালেমান উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ কৰে। এই প্ৰকল্পসমূহৰ ভিতৰত কেইবাটাও পথ উন্নয়ন প্ৰকল্প, প্ৰতিমূৰ্তি-তোৰণ উন্মোচন আৰু দলং নিৰ্মাণ প্ৰকল্প অন্যতম। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি ডিফুত প্ৰথমগৰাকী কাৰ্বি ৰজা আৰু ৰাণী ৰেংবংহ'মৰ প্ৰতিমূৰ্তি উন্মোচন কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে পাহাৰীয়া জিলাখনলৈ যোৱা মুখ্যমন্ত্ৰী শৰ্মাই আজি লৰেন্যু ৰেঙমা গাঁও সমিতিৰ সভাপতি আৰু গাঁও প্ৰধানক সাক্ষাৎ কৰি ৰেঙমা সম্প্ৰদায়ৰ উন্নয়ন আৰু সৰ্বাংগীন বিকাশ সন্দৰ্ভত আলোচনা কৰে। ইয়াৰ পূৰ্বে তেওঁ ডিফুৰ তাৰালাংছ'ৰ কাজিৰ ৰংহাংপী অতিথিশালাত  অসমৰ ভৈয়ামৰ কাৰ্বি সংগঠনসমূহৰ প্ৰতিনিধিসকলৰ সৈতে এখন বৈঠকত মিলিত হয়।

ooooo

সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত অনুত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে কম্পাৰ্টমেণ্টেল পৰীক্ষা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অৱশ্যে হাইস্কুল শিক্ষান্ত পৰীক্ষাত যিসকল পৰিক্ষাৰ্থীয়ে ন্যূনতম তিনিটা বিষয়ত অনুত্তীৰ্ণ হৈছে আৰু অন্ততঃ মুঠ ১৭০ নম্বৰ লাভ কৰিছে সেইসকল পৰিক্ষাৰ্থীয়েহে এই কম্পাৰ্টমেণ্টেল পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব। এই সন্দৰ্ভত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ১ নম্বৰ সংমণ্ডলৰ সচিবে জাৰি কৰা নিৰ্দেশনা অনুসৰি অৱতীৰ্ণ হোৱা পৰিক্ষাৰ্থীসকলে উত্তীৰ্ণ হোৱাৰ বাবে ন্যূনতম ৩০ শতাংশ নম্বৰ লাভ কৰাৰ লগতে সৰ্বমুঠ ১৮০ বা ততোধিক নম্বৰ পাব লাগিব। কম্পাৰ্টমেণ্টেল পৰীক্ষাত উত্তীৰ্ণ সকলো শিক্ষাৰ্থীয়ে চলিত শিক্ষা বৰ্ষতে নামভৰ্তি কৰিব পাৰিব। নিৰ্দেশনাটোত উল্লেখ কৰা অনুযায়ী এই পৰীক্ষাৰ সময়সূচী পৰৱৰ্ত্তী পৰ্যায়ত ঘোষণা কৰা হ'ব। প্ৰতিটো বিষয়ৰ বাবে পৰিক্ষাৰ্থীসকলে ৫০০ টকাকৈ বেংক চালান ষ্টেট বেংক অব ইণ্ডিয়াৰ জৰিয়তে আদায় দিয়াৰ লগতে ১৫০ টকাকৈ কেন্দ্ৰ মাচুল পৰিশোধ কৰিব লাগিব। উল্লেখযোগ্য যে এই পৰীক্ষা থিয়ৰী কাকতৰ ক্ষেত্ৰতহে অনুষ্ঠিত হ'ব। পৰীক্ষাত অৱতীৰ্ণ হ'বৰ বাবে পৰীক্ষা কেন্দ্ৰৰ তালিকা পৰ্টেলত উপলব্ধ হ'ব বুলি পৰিষদে নিৰ্দেশনাটোত উল্লেখ কৰিছে।

ooooo

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ নেতৃত্বত দেশৰ এটা প্ৰতিনিধি দলে মালয়েছিয়াৰ কাৱালালামপুৰত কাইলৈৰ পৰা হ'বলগীয়া মালয়েছিয়ান টুৰ এণ্ড ট্ৰেভেল এজেণ্ট সংস্থাৰ মেলাত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত উত্তৰ পূৰ্বাঞ্চলক বিশেষ গুৰুত্ব সহকাৰে লৈ ভাৰতে নিজৰ পৰ্যটন ক্ষেত্ৰৰ সম্ভাৱনাক তুলি ধৰাৰ প্ৰয়াস কৰিব। ভাৰত আছিয়ান পৰ্যটন পেছাদাৰী বিনিময় কাৰ্যসূচী ২০২৫ৰ অংশ হিচাপে শ্ৰীমাৰ্ঘেৰিটাই এই কাৰ্যসূচীত অংশ ল'ব। দুদিনীয়া এই ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে কেইবাগৰাকীও আগশাৰীৰ ব্যৱসায়িক নেতা আৰু প্ৰৱাসী ভাৰতীয়ৰ সৈতে মত

বিনিময় কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে যোৱা বছৰ অনুষ্ঠিত একবিংশ ভাৰত-আছিয়ান শীৰ্ষ সন্মিলনত এই বছৰৰ ভাৰত-আছিয়ান পৰ্যটন বৰ্ষ পালনৰ পৰিকল্পনা কৰা হৈছিল।

ooooo

বিশ্ববিদ্যালয় অনুদান আয়োগে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ক স্বায়ত্ব শাসিত মহাবিদ্যালয় হিচাপে স্বীকৃতি প্ৰদান কৰিছে। নাকৰ এ-গ্ৰেট প্ৰাপ্ত মহাবিদ্যালয়খনলৈ এই স্বীকৃতি ১০ বছৰলৈ প্ৰদান কৰা হৈছে বুলি আয়োগে এখন জাননীযোগে উল্লেখ কৰিছে। মহাবিদ্যালয়খনলৈ আগবঢ়োৱা এই স্বীকৃতিৰ বাবে অধ্যক্ষ ড০ শশীকান্ত শইকীয়াকে ধৰি সমূহ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, শিক্ষাৰ্থীৰ লগতে প্ৰাক্তন শিক্ষাৰ্থী তথা অঞ্চলটোৰ ৰাইজে আনন্দ আৰু সন্তোষ প্ৰকাশ কৰিছে।

ooooo

অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ, অসম প্ৰদেশ আৰু ৰাষ্ট্ৰীয় কলা মঞ্চৰ উদ্যোগত আজি বৰাক সাংস্কৃতিক মহোৎসৱৰ সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ প্ৰচাৰক শ্ৰী গৌৰাং ৰায়ে এই শোভাযাত্ৰা উদ্বোধন কৰে। বৰাক উপত্যকাৰ সংস্কৃতিক পৰম্পৰাক ৰাষ্ট্ৰীয় পৰ্যায়লৈ লৈ যোৱাৰ বাবে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে প্ৰচেষ্টা গ্ৰহণ কৰিছে। এই উদ্দেশ্যে ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হৈছে। কাইলৈ প্ৰতিযোগিতাৰ চূড়ান্ত অনুষ্ঠান শিলচৰত অনুষ্ঠিত হ'ব। এই গ্ৰেণ্ড ফাইনেলত বিশিষ্ট অভিনেতা মিঠুন চক্ৰৱৰ্তী বিশেষ অতিথি হিচাপে উপস্থিত থাকিব।

ooooo

অসম জাতীয়তাবাদী যুৱ পৰিষদ আৰু ডিব্ৰুগড় সাহিত্য সভাৰ যৌথ উদ্যোগত জাতীয়তাবাদী মহিলা পৰিষদ আৰু সম্পৰ্ক নামৰ স্বেচ্ছাসেৱী সংগঠনৰ সহযোগত কালি ব'হাগ আদৰণি সংহতি সংকল্প শীৰ্ষক এটা অনুষ্ঠানৰ আয়োজন কৰা হয়। ডিব্ৰুগড় সাহিত্য সভাৰ লক্ষ্মীনাথ বেজবৰুৱা ভৱনত অনুষ্ঠিত অনুষ্ঠানটোত ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল বুঢ়াগোঁহায়ে আঁত ধৰে। মুকলি সভাত ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি জ্যোতি বৰগোঁহায়ে সভাপতিত্ব কৰে। অনুষ্ঠানটোৰ বৰ্ণিল কাৰ্যসূচীত ভালেমান লোকে অংশগ্ৰহণ কৰে বুলি আমাৰ ডিব্ৰুগড়ৰ সংবাদদাতাই জানিবলৈ দিয়ে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে মুম্বাই ইণ্ডিয়ানছক জয়ৰ বাবে ১৬৩ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেটিং কৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত অভাৰত ৫ টা উইকেট হেৰুৱাই ১৬২ ৰান কৰে।

ooooo

সমাপ্ত